**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-09-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

১। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্বজনীন শিল্পীগৰাকীক সমাজৰ এগৰাকী পথ প্ৰদৰ্শক শিল্পী বুলি মত প্ৰকাশ কৰে।

২। প্ৰধানমন্ত্ৰীয়ে মণিপুৰৰ ৰাইজক ৰাজ্যখনত শান্তি স্থাপনৰ বাবে আগবাঢ়ি অহাৰ লগতে যুৱ প্ৰজন্মৰ প্ৰগতি আৰু কল্যাণৰ পথ প্ৰশস্ত কৰিবলৈ আহ্বান জনাইছে।

৩। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই বিকশিত ভাৰত যুৱ আলোচনা ২০২৬ৰ দ্বিতীয় সংস্কৰণৰ বিষয়ে আজি নতুন দিল্লীত ঘোষণা কৰে।

৪। ম্যানমাৰৰ পশ্চিম ৰাখিনেত দুখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত সংঘটিত বিমান আক্ৰমনত ১৯ জন শিক্ষাৰ্থী নিহত হোৱাৰ লগতে ২০ জন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। ***আৰু***

৫। হংকং অ'পেন চুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ লক্ষ্যসেন পুৰুষৰ একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি কিছুসময় পূৰ্বে খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। খেলপথাৰৰ অনুষ্ঠানস্থলীত পদাৰ্পন কৰাৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীক মঞ্চলৈ আদৰি আনে। সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ আদৰণি ভাষণেৰে অনুষ্ঠানৰ আৰম্ভণি হোৱাৰ পিছতে এহেজাৰ ২০০ গৰাকী শিল্পীয়ে বিশ্ববন্দিত শিল্পীগৰাকীৰ কণ্ঠৰ ১৪ টা গীতৰ বচা বচা অংশ সমস্বৰে পৰিবেশন কৰি নান্দনিক পৰিৱেশৰ সৃষ্টি কৰে।

এই অনুষ্ঠানতে শ্ৰীমোদীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত অনুৰাধা শৰ্মা পুজাৰীয়ে সংকলন কৰা ড° ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থখন উন্মোচন কৰে। তেওঁ লগতে ২১ টা ভাষালৈ অনুদিত এই গ্ৰন্থখন ভাৰ্চুৱেল ব্যৱস্থাৰে উন্মোচন কৰে। নিজৰ ভাষণৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰীয়ে ভূপেন হাজৰিকা অমৰ হওক বুলি ধ্বনি দিয়ে। তেওঁ কিংবদন্তি শিল্পী ড০ ভূপেন হাজৰিকাৰ অবিস্মৰণীয় প্ৰতিভাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ লগতে অসম চৰকাৰৰ এই সুন্দৰ অনুষ্ঠানৰ আয়োজনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ এই অনুষ্ঠানত উপস্থিত হৈ ধন্য হৈছে বুলি মত প্ৰকাশ কৰে। সংগীতত ভাৰতৰ স্বপ্নক সংযোজন কৰা, গীতেৰে প্ৰৱহমান পবিত্ৰ গংগাৰ পৰা ব্ৰহ্মপুত্ৰ লৈ

লহৰ তোলা শিল্পীগৰাকীয়ে  মানুহৰ মনৰ সংবেদনশীলতাক প্ৰতিভাত কৰি তুলিছিল বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শিল্পীগৰাকীৰ শতবৰ্ষ উদযাপনৰ জৰিয়তে চৰকাৰে মহান শিল্পীগৰাকীৰ গীত আৰু বিশ্বজনিন চিন্তাধাৰাক বিশ্বৰ প্ৰতিজন মানুহৰ ওচৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰিছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে সংগীত সাধনা হলে ই আমাৰ অন্তৰাত্মাক স্পৰ্শ কৰে। আনহাতে সংগীত সংকল্প হলে সেই সংগীতে সমাজৰ দিশ নিৰ্ণয় কৰে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা এনে এগৰাকী পথ প্ৰদৰ্শক শিল্পী বুলি তেওঁ মন্তব্য কৰে।

ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনতাৰ শিল্পী ড০ ভূপেন হাজৰিকাৰ স্মৃতিত সশ্ৰদ্ধ প্ৰণিপাত জনোৱাৰ লগতে শিল্পীগৰাকীৰ গীতৰ বহুমাত্ৰিক দিশৰ  বিষয়ে আলোকপাত কৰে।

আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খান্দু, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ পুত্ৰ তেজ হাজৰিকা, ভূপেন হাজৰিকাৰ পৰিয়ালৰ সদস্যসকলৰ লগতে অসমৰ সামাজিক সংস্কৃতিক জগতৰ বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মণিপুৰৰ ৰাইজক ৰাজ্যখনত শান্তি স্থাপনৰ বাবে আগবাঢ়ি অহাৰ লগতে যুৱ প্ৰজন্মৰ প্ৰগতি আৰু কল্যাণৰ পথ প্ৰশস্ত কৰিবলৈ আহ্বান জনাইছে। এদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী আজি মণিপুৰ ভ্ৰমণ কৰে। সাত হেজাৰ ৩০০ কোটি টকাতকৈও অধিক টকা ব্যয় সাপেক্ষ ১৪ টা ভিন ভিন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ পাছত চুৰাচান্দপুৰ জিলাৰ পিচগ্ৰাউণ্ডত তেওঁ এখন ৰাজহুৱা সভাত ভাষণ দিয়ে। শ্ৰী মোদীয়ে কয়, যে মণিপুৰ হৈছে আশা আৰু বিকাশৰ ভূমি, কিন্তু জাতীয় হিংসাৰ কৱলত পৰি ৰাজ্যখন জুৰুলা হৈছে। তেওঁ কয়, যে শান্তি অবিহনে অঞ্চলটোৰ বিকাশ সম্ভৱ নহয়। সেয়ে মণিপুৰৰ বিকাশৰ বাবে সাম্প্ৰদায়িক ঘৃণা, সংঘাট আৰু দুৰ্ভাৱনা সমাপ্ত কৰিব লাগিব। শ্ৰী মোদীয়ে মণিপুৰৰ ৰাইজক হিংসা এৰি যুৱ প্ৰজন্মৰ কল্যাণ তথা ৰাজ্যখনৰ বিকাশৰ বিষয়ে চিন্তা কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কয়, যে তেওঁ চুৰাচান্দপুৰ জিলাৰ সাহায্য শিবিৰত আশ্ৰয় লৈ থকা গোষ্ঠী সংঘৰ্ষত গৃহহাৰা হোৱা একাংশ লোকক সাক্ষাৎ কৰে। তেওঁলোকৰ মুখত আশা আৰু বিশ্বাসৰ ৰেশ প্ৰত্যক্ষ কৰা বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। পাহাৰীয়া ৰাজ্যখনৰ জনসাধাৰণে বৰ্তমান শান্তিৰ পথ বাচনি কৰিছে আৰু ভাৰত চৰকাৰে আগভাগ লৈ আয়োজন কৰা বিভিন্ন আলোচনা আৰু বৈঠকত অংশগ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে মণিপুৰৰ ৰাইজৰ কাষত কেন্দ্ৰীয় চৰকাৰ সকলো সময়তে থিয় দি থকাৰ লগতে ৰাজ্যখনলৈ সোনকালে শান্তি ঘূৰি আহিব বুলি আশ্বাস দিয়ে। ৰাজ্যখনত হিংসাত্মক ঘটনাত গৃহহাৰা হোৱা লোকসকলৰ বাবে সাত হেজাৰটা নতুন গৃহ নিৰ্মাণৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে পুঁজিৰ অনুমোদন জনাইছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে জনায়। শেহতীয়াকৈ ইয়াৰ বাবে তিনি হেজাৰ কোটি টকাৰ বিশেষ পেকেজৰ বাজেট দিয়া হৈছে। শ্ৰী মোদীয়ে মণিপুৰৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপৰ বিষয়েও আলোচনা কৰে। তেওঁ কয়, যে সীমামুৰীয়া ৰাজ্য হোৱা বাবে মণিপুৰত পথ যোগাযোগৰ ক্ষেত্ৰত সমস্যা হোৱা দেখা যায়। সেয়ে ২০১৪ চনৰ পিছৰ পৰা কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনত পথ যোগাযোগ উন্নত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰি মণিপুৰৰ বাবে ৰে'ল আৰু পথৰ বাবে বাজেট বৃদ্ধি কৰিছে। নতুন ঘাইপথৰ বিকাশৰ বাবে ৮ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে কামকাজ অব্যাহত ৰখা হৈছে। ইপিনে, ইম্ফল বিমান বন্দৰৰ বিকাশৰ বাবে চাৰি হাজাৰ কোটি টকা মঞ্জুৰ কৰা হৈছে আৰু লগতে হেলিকপ্তাৰ সেৱাও আৰম্ভ কৰা হৈছে। তেওঁ কয়, যে এক লাখতকৈও অধিক পৰিয়ালক

বিনামূলীয়া বিদ্যুৎ যোগান ধৰাৰ লগতে এন ডি এ চৰকাৰৰ দিনত নলেৰে খোৱাপানী লাভ কৰা পৰিয়ালৰ সংখ্যা ৩০ হাজাৰৰ পৰা তিনি লাখ ৫০ হাজাৰলৈ বৃদ্ধি পাইছে। ৰাজ্যখনৰ ৫০০ খন জনজাতীয় গাঁৱত উন্নয়নমূলক কামকাজ চলি থকাৰ লগতে ১৮ খন একলব্য আদৰ্শ আবাসীক বিদ্যালয় নিৰ্মাণৰ কাম অব্যাহত আছে। প্ৰধানমন্ত্ৰীয়ে লগতে মণিপুৰ চৰকাৰক ৰাজ্যখনত বিকাশ আৰু শান্তিৰ পৰিৱেশ ঘূৰাই অনাৰ ক্ষেত্ৰত ভাৰত চৰকাৰে সকলো ধৰণৰ সহায়-সমৰ্থন আগবঢ়াব বুলিও নিশ্চিতি দিয়ে। প্ৰধানমন্ত্ৰীয়ে চুৰাচান্দপুৰ জিলাৰ পৰা ইম্ফললৈ যায় আৰু তাতো কেইবাটাও প্ৰকল্প উদ্বোধন কৰে। তেওঁ কাংলা দূৰ্গৰ পৰা জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়াৰ লগতে গৃহহাৰা লোকসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, যুৱ নেতৃত্বাধীন গণতন্ত্ৰই দৃষ্টিভংগীক কণ্ঠলৈ আৰু কণ্ঠক সুদূৰ প্ৰসাৰী প্ৰভাৱলৈ ৰূপান্তিৰত কৰাৰ প্ৰকৃত উদাহৰণ হৈছে বিকশিত ভাৰত যুৱ আলোচনাৰ নেতাসকল। নতুন দিল্লীত আজি বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা ২০২৬ সংক্ৰান্তিয় এখন সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কয়, যে এইখন এনে এখন মঞ্চ য'ত ভাৰতীয় যুৱ প্ৰজন্মই কেৱল তেওঁলোকৰ ধাৰণাসমূহ আদান-প্ৰদান কৰাই নহয়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্মুখত উপস্থাপনো কৰিব পাৰে। ড০ মন্দাভিয়াই দ্বিতীয় সংস্কৰণৰ বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা ২০২৬ৰ বিষয়ে ঘোষণা কৰি এইদৰে কয়। ড০ মন্দাভিয়াই লগতে কয়, যে এই আলোচনা কেৱল এদিনীয়া নহয়, বৰঞ্চ ই সমগ্ৰ দেশৰে যুৱক-যুৱতীসকলক একত্ৰিত কৰাৰ এখন অবিৰত মঞ্চ। এই মঞ্চৰ জৰিয়তে তেওঁলোকৰ নেতৃত্ব প্ৰদানকাৰী দক্ষতাৰ যতন লোৱাৰ লগতে আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগী আগুৱাই নিয়াৰ বাবে তেওঁলোকৰ উদ্ভাৱনী শক্তিৰ বিকাশ ঘটাব। মন্ত্ৰীগৰাকীয়ে লগতে বিকশিত ভাৰত যুৱ নেতৃত্ব আলোচনাৰ প্ৰথম পৰ্যায়ৰ কুইজ প্ৰতিযোগিতাও আৰম্ভ কৰে। তেওঁ সমগ্ৰ দেশৰ যুৱ প্ৰজন্মৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক এই কুইজত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে অহা বছৰৰ ১০ৰ পৰা ১২ জানুৱাৰীলৈ নতুন দিল্লীত বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা ২০২৬ৰ চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

বিধানসভাসমূহ চিৰদিন ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয়ত অৰ্থবহ আলোচনা, জনসাধাৰণৰ স্বাৰ্থজড়িত বিষয়ত তৰ্কৰ লগতে সমাজ তথা দেশৰ বাবে গঠনমুলক সিদ্ধান্ত গ্ৰহনৰ এখন মঞ্চ হৈ ৰ'ব বুলি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আশা প্ৰকাশ কৰিছে।

আজি বেংগালুৰুত অনুষ্ঠিত কমনৱেলথ সংসদীয় সংস্থাৰ একাদশ ভাৰত অঞ্চল সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেওঁ এই মন্তব্য কৰিছে। অধ্যক্ষগৰাকীয়ে লগতে কয় বিধানসভা সমূহক উক্ত লক্ষ্যত উপনীত কৰাবলৈ সহায় হ'ব পৰা প্ৰক্ৰিয়াৰ বিষয়ে এই দুদিনীয়া সন্মিলনত আলোচনা কৰা হৈছিল যাৰ বাবে ৰাজনৈতিক দল আৰু বিধায়কসকলে সন্মিলিত ভাৱে কাম কৰিব লাগিব।

সাংসদ সকলৰ বিষয়বস্তুৰ ওপৰত দখল বৃদ্ধি কৰিবলৈ সংসদৰ পুথিভঁৰাল আৰু গৱেষণা গোটবোৰ উন্নত কৰা প্ৰসংগতো ওম বিৰলাই মন্তব্য আগবঢ়াই কয় যে জনসাধাৰণৰ আস্থা অৰ্জন কৰি সংসদীয় গণতন্ত্ৰ শক্তিশালী কৰাৰ বাবে সাংসদসকলে তেওঁলোকৰ ৰাজনৈতিক আনুগত্যৰ উৰ্দ্ধত গৈ সামাজিক কল্যাণৰ অনুশীলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব লাগিব। তেওঁ সংবাদ মাধ্যমসমূহকো জনসাধাৰণৰ কল্যাণৰ বাবে বিধায়কসকলৰ ইতিবাচক কামৰ তথ্য প্ৰচাৰ কৰিবলৈ আহ্বান জনায়। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে বিধায়ক সকলেও অবদান আগবঢ়াব বুলি ওম বিৰলাই আশা প্ৰকাশ কৰে।

০০০০০০০

অমৃত সৰোবৰ অভিযানৰ অধীনত দেশত বৰ্তমানলৈকে ৬৮ হাজাৰৰো অধিক পুখুৰীৰ সৃষ্টি কৰা হৈছে বুলি চৰকাৰৰ তৰফৰ পৰা প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২২ চনত শুভাৰম্ভ কৰা এই অমৃত সৰোবৰ অভিযানৰ অধীনত দেশৰ প্ৰতিখন জিলাত ৭৫টা অমৃত সৰোবৰ সৃষ্টিৰ লক্ষ্য লোৱা হৈছিল।

উল্লেখযোগ্য যে কেন্দ্ৰীয় গ্ৰামীন বিকাশ মন্ত্ৰালয়ে চলিত সপ্তাহত নতুন দিল্লীত অমৃত সৰোবৰ বিষয়ত এখন ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰিছিল য'ত এই অভিযানৰ কাৰিকৰী ভেটি শক্তিশালী কৰা আৰু অমৃত সৰোবৰসমূহক বহনক্ষম তথা সম্প্ৰদায়-চালিত কেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। কৰ্মশালাত দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ মুখ্য বিষয়াসকলক একত্ৰিত কৰা হৈছিল আৰু অমৃত সৰোবৰ অভিযানৰ পৰৱৰ্তী পৰ্যায়ৰ বাবে কাৰিকৰী ক্ষমতা বৃদ্ধি আৰু সহযোগিতামূলক উদ্ভাৱন বৃদ্ধিৰ বিভিন্ন পদ্ধতিৰ সন্দৰ্ভত আলোচনা কৰা হৈছিল।

০০০০০০০

ম্যানমাৰৰ পশ্চিম ৰাখিনে ৰাজ্যৰ ক্যাওকট' চহৰৰ দুখন ব্যক্তিগতখণ্ডৰ বিদ্যালয়ত যোৱা নিশা সংঘটিত হোৱা বিমান আক্ৰমণত ১৯ জন শিক্ষাৰ্থী নিহত হোৱাৰ লগতে ২০জন গুৰুতৰভাৱে আঘাটপ্ৰাপ্ত হৈছে। আৰাকান সেনা আৰু দেশখনৰ সাহায্য সংস্থাৰ মতে, নিশা ছাত্ৰ-ছাত্ৰীসকল শুই থকাৰ সময়তে এই আক্ৰমণ সংঘটিত হৈছিল। ১৫ৰ পৰা ২১ বছৰ বয়সৰ শিক্ষাৰ্থীয়ে অধ্যয়ণ কৰা দেশখনৰ পিনাৰ পান খিন হাইস্কুল আৰু এ মাইন থিট

হাইস্কুলক লক্ষ্য কৰি কৰা এই বিমান আক্ৰমণ কৰা হৈছিল। স্থানীয় সংবাদ প্ৰতিষ্ঠান 'ম্যানমাৰ নাও "য়ে প্ৰকাশ কৰা অনুসৰি এখন জান্টা যুদ্ধবিমানে হাইস্কুলদুখনত ৫০০ পাউণ্ডৰ দুটা বোমা নিক্ষেপ কৰিছিল। উল্লেখযোগ্য যে ইউনিচেফে এই আক্ৰমণৰ ঘটনাক তীব্ৰভাৱে নিন্দা কৰি ইয়াক "নিষ্ঠুৰ আক্ৰমণ" বুলি অভিহিত কৰাৰ লগতে ৰাখাইন প্ৰদেশত চলি থকা সংঘৰ্ষত শিশু আৰু অসামৰিক লোক যথেষ্ট ক্ষতিৰ সন্মুখীন হোৱা বিষয়তো গুৰুত্ব আৰোপ কৰিছে।

oooooooo

হংকং অ'পেন ছুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ লক্ষ্যসেন পুৰুষৰ একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। চেমিফাইনেলত তেওঁ টাইৱানৰ চৌ তিয়ানছেনক ২৩-২১, ২৩-২০ গেমত পৰাস্ত কৰে। ফাইনেলত লক্ষ্যই চীনৰ লী ছেইফেঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ফ্ৰান্সৰ ক্ৰিষ্টো প'প'ভক ২১-২১, ১৮-১৯ গেমত পৰাস্ত কৰি লী ছেইফেং ফাইনেলত প্ৰৱেশ কৰিছে। ইপিনে পুৰুষৰ ডাবলছত ভাৰতৰ স্বাত্বিকসাইৰাজ ৰনকিৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীয়ে ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটোৱে আজি পুৱা ছেমি ফাইনেলত চীনা টাইপেইৰ চেন চেং কোৱান আৰু লীন বিং ৱেইক ২১-১৭, ২১-১৫ গেমত পৰাস্ত কৰে।
অষ্টম বাচনিৰ ভাৰতীয় যুটীটো কাইলৈ ফাইনেলত চীনৰ লিয়াং ৱেই কেং আৰু ৱাং চাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

সমাপ্ত